# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-05-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**-------------------**

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ সচিবসকলৰ সৈতে ৰাষ্ট্ৰীয় সুৰক্ষাৰ দিশত গ্ৰহণ কৰা শেহতীয়া প্ৰস্তুতি আৰু আন্তঃমন্ত্ৰালয় সহযোগিতাৰ পৰ্যালোচনা সন্দৰ্ভত এখন উচ্চপৰ্যায়ৰ বৈঠকত মিলিত হয়। শ্ৰীমোদীয়ে সাম্প্ৰতিক পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে মন্ত্ৰালয়ৰ প্ৰস্তুতি আৰু পৰিকল্পনাৰ বুজ লয়। বৈঠকত অসামৰিক প্ৰতিৰক্ষা ব্যৱস্থা শক্তিশালী কৰা, ভুল তথ্য বা ভুৱা খবৰ প্ৰতিৰোধ কৰা আৰু গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিৰ নিৰাপত্তা সুনিশ্চিত কৰা আদি বিষয়ত আলোচনা কৰা হয়। সকলো মন্ত্ৰালয়কে ৰাজ্যিক কৰ্তৃপক্ষ তথা তৃণমূল পৰ্যায়ৰ প্ৰতিষ্ঠানসমূহৰ সৈতে নিৰন্তৰ যোগাযোগ ৰাখিবলৈ আহ্বান জনোৱা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ এনে এক গুৰুত্বপূৰ্ণ সময়ত সকলো সময়তে সতৰ্ক হৈ থকাৰ লগতে বিভিন্ন বিষয়ত যোগাযোগ যাতে সুচল আৰু স্পষ্ট হৈ থাকে তাৰ বাবে সকলোকে আহ্বান জনায়। শ্ৰীমোদীয়ে ৰাষ্ট্ৰীয় সুৰক্ষা আৰু নাগৰিক সুৰক্ষাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও দোহাৰে।

ooooo

সন্ত্ৰাসবাদৰ বিৰুদ্ধে উচিত প্ৰত্যুত্তৰ দিয়াৰ বাবে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ বীৰত্বক সকলো ৰাজনৈতিক দলৰ নেতাই প্ৰশংসা কৰিছে। **অপাৰেচন সিন্দূৰ** সন্দৰ্ভত আজি নতুন দিল্লীৰ সংসদ ভৱনত অনুষ্ঠিত সৰ্বদলীয় বৈঠকত ৰাজনৈতিক দলৰ নেতাসকলে এই অভিযানৰ প্ৰতি একমুখে সমৰ্থন প্ৰকাশ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰা এই বৈঠকত বহুকেইটা দলৰ নেতাসকলে অংশগ্ৰহণ কৰে। বৈঠকত শ্ৰীসিঙে ভাৰতে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু আৰু কাশ্মীৰৰ ৯টা সন্ত্ৰাসবাদী ঘাটিত চলোৱা আক্ৰমণৰ সবিশেষ প্ৰকাশ কৰে। বৈঠকৰ পাছত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সাংবাদিকৰ আগত কয়, যে এই বৈঠক গঠনমূলক আছিল আৰু দেশে সম্প্ৰতি সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ কথা অনুধাৱন কৰি প্ৰতিগৰাকী নেতাই অতি পৰিপক্কতাৰে তেওঁলোকৰ মত ব্যক্ত কৰিছিল। দেশৰ এনে গুৰুত্বপূৰ্ণ সময়ত ৰাজনীতিৰ বাবে কোনো স্থান নাই বুলি বিভিন্ন দলৰ নেতাসকলে মত প্ৰকাশ কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে চৰকাৰৰ প্ৰতি তেওঁলোকৰ পূৰ্ণ সমৰ্থন আগবঢ়ায়। এ আই এম আই এমৰ নেতা আছাদউদ্দিন  ওৱেছিয়েও এই অভিযানৰ বাবে সশস্ত্ৰ বাহিনী আৰু চৰকাৰৰ শলাগ লয়।

ooooo

সেনাবাহিনীয়ে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত চলোৱা **অপৰাচেন সিন্দূৰ** সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১০ মে’ শনিবাৰে নিশা ৮ বাজি

২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত বায়ুসেনা বাহিনীৰ বিষয়া আৰু জ্যেষ্ঠ নাগৰিকসকলে এই অভিযান আৰু যুদ্ধকালীন সময়ত জনসাধাৰণৰ কৰণীয় সম্পৰ্কত মন্তব্য আগবঢ়াব। এই অনুষ্ঠানৰ উপস্থাপন, পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

সেনাবাহিনীয়ে পাকিস্তানত থকা সন্ত্ৰাসবাদীৰ ঘাটিৰ ওপৰত চলোৱা **অপাৰেচন সিন্দূৰ** ভাৰতীয় বায়ুসেনা বাহিনী আৰু স্থলসেনা বাহিনীৰ বৃত্তিগত উৎকৃষ্টতাৰ নিদৰ্শন বুলি অৱসৰপ্ৰাপ্ত উইং কমাণ্ডাৰ জগদীশ ভট্টাচাৰ্যই মত প্ৰকাশ কৰিছে। আকাশবাণীৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে হোৱা কথা বতৰাত ১৯৭১ৰ ভাৰত-পাক যুদ্ধৰ অন্যতম নায়ক উইং কমাণ্ডাৰ ভট্টাচাৰ্যই কয়, যে পাকিস্তানৰ আভ্যন্তৰৰ নিৰ্দিষ্ট লক্ষ্যত আকাশমাৰ্গেৰে সম্পূৰ্ণ সঠিকভাৱে আক্ৰমণ চলোৱা হৈছিল আৰু ই ইংগিত লক্ষ্য সাধনত সফল হৈছে।

০০০০০

অসম পৰ্যটন উন্নয়ন নিগমে ঐতিহাসিক দীঘলীপুখুৰীৰ পানী পৰিস্কাৰ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। পৰ্যটন উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক পদ্মপাণি বৰাই আজি এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। সেই অনুসৰি আয়ৰলেণ্ডৰ এগৰাকী বিজ্ঞানী উদ্ভাৱন কৰা আৰু আই আই টি কানপুৰৰ দ্বাৰা পৰীক্ষণ সম্পন্ন হোৱা স্মাৰ্ট অ'প্ছ নামৰ এটা পাৰিপাৰ্শ্বিক প্ৰযুক্তি কোম্পানীৰ সহায়ত দীঘলীপুখুৰীৰ পানী পৰিস্কাৰ কৰি তোলাৰ লগতে ইয়াৰ গুণগত মান উন্নীত কৰা হ'ব। নিগমৰ সঞ্চালকগৰাকীয়ে কয় যে এই প্ৰযুক্তি ইতিমধ্যে ইউৰোপ, আফ্ৰিকাৰ বহু দেশত প্ৰদূষিত পানী বিশুদ্ধ কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছে। ইয়াৰ জৰিয়তে বিশেষ ব্যৱস্থাৰে পানীৰ সেউজীয়া প্ৰলেপ, দুৰ্গন্ধ, শেলুৰৈ আৰু আৱৰ্জনা নিষ্কাষণ কৰিব পৰা যাব। ইয়াৰ ফলত পানীৰ অক্সিজেনৰ পৰিমাণ বৃদ্ধি পাব বুলি সঞ্চালকগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

বজালী জিলাৰ পাটাছাৰকুছিৰ বজালী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ মহাবিদ্যালয়খনৰ ডি এল-এডৰ দ্বিতীয় ষান্মাষিকৰ শিক্ষক-প্ৰশিক্ষাৰ্থীসকলৰ বাবে কৰ্মশালা অনুষ্ঠিত হৈছে। মহাবিদ্যালয়খনৰ শৈক্ষিক উপদেষ্টা ড০ হোমেশ্বৰ দাসৰ পৃষ্ঠপোষকতাত অনুশিক্ষণ শীৰ্ষক কৰ্মশালাখন উদ্বোধন কৰি সাংবাদিক আমিনুল হকে এগৰাকী ভাল শিক্ষক হ'বলৈ হ'লে জ্ঞান অৰ্জনৰ লগতে কৌশল আয়ত্ত কৰিব লাগিব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ নৱনিযুক্ত অধ্যক্ষ ড০ কিশোৰ কুমাৰ ৰয় আৰু উপাধ্যক্ষ ড০ চন্দনা দেৱীয়ে অনুশিক্ষণ পদ্ধতিৰ দ্বাৰা শিক্ষক-প্ৰশিক্ষাৰ্থীসকলে নিজৰ দক্ষতা বিকাশৰ সুযোগ লাভ কৰে বুলি মন্তব্য কৰে। এই কাৰ্যসূচীত কেইবাগৰাকীও সমল ব্যক্তি আৰু ভালেসংখ্যক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

০০০০০

সমাপ্ত